জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ৩৮ ● বৃহস্পতিবাৰ ● ২৯ আহিন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday October 16, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ

## ...গুই বহন কৰা ... বিস্তৃত ব্যাখ্যা ...কুমাৰ দাসৰ

...কেন্দ্রীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ ...পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ...ংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ পৰ্যটন ...কৃতি, বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি, ...দ অসমৰ পৰ্যটন খণ্ডই বহন কৰা ... তেওঁ লগতে

১৩ পিঠিলৈ

### কানৈ মহাবিদ্যালয়ত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত জাহ্নু বৰুৱা

## চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৫ অক্টোবৰ ঃ 'চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত। গঠনমূলক চলচ্চিত্ৰইহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে।' অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) গোটৰ উদ্যোগত

১৩ পিঠিলৈ

